# দৈনিক জনমভূমি

Saturday, August 10, 2024


## ডিব্ৰুগড়ত গ্ৰন্থাগাৰিক দিৱস উদ্‌যাপন

# মানৱ সভ্যতাৰ বিকাশত গ্ৰন্থাগাৰে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে ঃ ড° ডেকা

ডিব্ৰুগড় ঃ ষ্টাফ ৰিপ'ৰ্টাৰ, ৯ আগষ্ট ঃ 'মানৱ সভ্যতাৰ বিকাশ আৰু বৃদ্ধিত পুথিভঁৰালসমূহে সদায় গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। পুথিভঁৰালসমূহে প্ৰতিটো প্ৰজন্মৰ জ্ঞান সংৰক্ষণ কৰি মানৱ জাতিৰ উত্তৰণত সহায় কৰি আহিছে। পুথিভঁৰালসমূহে নতুন ধাৰণা অন্বেষণ কৰিবলৈ, চিন্তা কৰিবলৈ আৰু প্ৰয়োজনীয় জ্ঞান, দক্ষতা বিকাশ কৰিবলৈ জ্ঞানৰ দৰে সম্পদ প্ৰদান কৰে। সেয়ে পুথিভঁৰালৰ প্ৰয়োজনীয়তা ডিজিটেল যুগতো বৃদ্ধি পাইছে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ড কন্দৰ্প কুমাৰ ডেকাই আজি এইদৰে কয়। গ্ৰন্থাগাৰিক দিৱস উদ্বোধন কৰি প্ৰাক্তন উপাচাৰ্য ড কন্দৰ্প কুমাৰ ডেকাই কয় যে পুথিভঁৰালসমূহে মানুহৰ সভ্যতাৰ বিকাশত, সৃষ্টিশীলতাক সদায় গুৰুত্ব দি আহিছে। গ্ৰন্থাগাৰিকসকলক সময়ৰ সৈতে আগুৱাই যাবলৈ পৰামৰ্শ দি গ্ৰন্থাগাৰৰ বিভিন্ন দিশ সম্পৰ্কত বিস্তৃত আলোকপাত কৰি তেওঁ গ্ৰন্থাগাৰিকসকলক ন ন চিন্তাৰে দায়িত্ব পালন কৰিবলৈ আহ্বান জনায়। ড ডেকাই ৰংগনাথনৰ জীৱনৰ বহুকেইটা দিশ অতি সহজভাৱে ব্যাখ্যা আগবঢ়ায়। অনুষ্ঠানত ডিব্ৰুগড় গ্ৰন্থাগাৰিক সন্থাৰ সভাপতি তথা ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড শশীকান্ত শইকীয়াই কয় যে গ্ৰন্থই মানুহৰ ভৱিষ্যৎ, সভ্যতাৰ ভৱিষ্যৎ।পুথিভঁৰাল অবিহনে মানৱ সমাজৰ কোনো অতীতো নাই আৰু ভৱিষ্যতো নাই। অধ্যক্ষগৰাকীয়ে কয় যে জ্ঞান, প্ৰজ্ঞা আৰু শিক্ষাৰ অন্যতম গুৰুত্বপূৰ্ণ স্তম্ভ হ'ল পুথিভঁৰালসমূহ। তেওঁ কয় যে পুথিভঁৰালসমূহ কিতাপৰ সংকলনতকৈও অধিক গুৰুত্বপূৰ্ণ। ই প্ৰজ্ঞাৰ ভঁৰাল, জীৱনৰ বাবে প্ৰয়োজন হৈ উঠা চিন্তা, দৰ্শনবোৰৰ জীৱন্ত প্ৰতীক। জ্ঞান আৰু শিক্ষাৰ বাবে হাবাথুৰি খোৱাসকলৰ বাবে পুথিভঁৰালসমূহ হ'ল চমকপ্ৰদ আশ্ৰয়। অনুষ্ঠানত ভাৰতবৰ্ষৰ নমস্য গ্ৰন্থাগাৰিক, গ্ৰন্থাগাৰৰ জনক, বাটকটীয়া এছ আৰ ৰংগনাথনৰ জীৱনৰ কিছু দিশ আলোকপাত কৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ গ্ৰন্থাগাৰিক ড উৎপল দাসে নতুন শিক্ষানীতিৰ অধীনত গ্ৰন্থাগাৰিকসকলে ল'ব লগা বিভিন্ন কাৰ্যকৰী ব্যৱস্থা আৰু কেনেকৈ প্ৰত্যাহ্বানসমূহ অতিক্ৰম কৰিব পাৰি, সেই সম্পৰ্কে বক্তৃতা আগবঢ়ায়। গ্ৰন্থাগাৰিক দিৱসৰ কাৰ্যসূচীত অতিথিসকলক আদৰণি জনায় ডিব্ৰু মহাবিদ্যালয়ৰ অধ্যক্ষ ড ৰঞ্জন চাংমায়ে। উদ্দেশ্য ব্যাখ্যা কৰে গ্ৰন্থাগাৰিক সন্থাৰ সম্পাদক যাদৱ শইকীয়াই। সভাখনৰ আঁত ধৰে ডিব্ৰু মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক দীপিকা দাসে। একেটা অনুষ্ঠানতে ডিব্ৰু মহাবিদ্যালয়ৰ উপাধ্যক্ষা চন্দনা কোঁৱৰে গ্ৰন্থৰ প্ৰয়োজনীয়তা সম্পৰ্কত বক্তব্য আগবঢ়ায়। অনুষ্ঠানত ডিব্ৰু মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ পঢ়ুৱৈ শিক্ষাৰ্থীৰ লগতে অন্যান্য কৃতিত্বমূলক কেইবাটাও বিষয়ত প্ৰমাণ-পত্ৰ প্ৰদান কৰা হয়।